জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩২৬/২০২২**

## লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিন উপলক্ষে আয়োজিত ‘একতাৰ বাবে দৌৰ’ কাৰ্যসূচী শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

## চৰ্দাৰ বল্লভভাই পেটেলে দেখুৱাই যোৱা পথ অনুসৰণ কৰিবলৈ যুৱ প্ৰজন্মক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ৩১ অক্টোবৰ ঃ** ভাৰতৰত্ন লৌহমানৱ চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিন উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপৰিবহণ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সৈতে আজি গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত আয়োজিত ‘একতাৰ বাবে দৌৰ’ কাৰ্যসূচী আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কাৰ্যসূচীত শিক্ষাৰ্থী, ক্ৰীড়াবিদ, আশাকৰ্মী তথা স্বাস্থ্যকৰ্মী, অংগনৱাড়ী কৰ্মী, আৰক্ষী বিভাগৰ জোৱানৰ উপৰি যথেষ্ট সংখ্যক নাগৰিকে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই এই দৌৰত অংশগ্ৰহণকাৰীসকলক শপত বাক্যও পাঠ কৰোৱায়।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই ভাৰতৰত্ন চৰ্দাৰ বল্লভভাই পেটেললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি কয় যে চৰ্দাৰ পেটেল আছিল এজন স্পষ্টবাদী, সততা সম্পন্ন আৰু প্ৰবল ব্যক্তিত্বসম্পন্ন আত্মবিশ্বাসী লোক। জটিল পৰিস্থিতিত তেখেতে উপযুক্ত সিদ্ধান্ত গ্ৰহণ কৰি সবল নেতৃত্ব প্ৰদান কৰিব পাৰিছিল। উল্লেখ্য যে ৰাষ্ট্ৰীয় একতাৰ হকে সমগ্ৰ জীৱন ত্যাগৰ মানসিকতাৰে সেৱা আগবঢ়াই যোৱা মহান স্বাধীনতা সংগ্ৰামী, দেশৰ প্ৰথম উপ-প্ৰধানমন্ত্ৰী তথা প্ৰথম গৃহমন্ত্ৰী চৰ্দাৰ বল্লভভাই পেটেলৰ জন্মদিন উপলক্ষে সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰি অহা হৈছে। এই ৰাষ্ট্ৰীয় একতা দিৱস উদ্‌যাপনৰ সৈতে সংগতি ৰাখি অসমৰ ৩৫ খন জিলাৰ ৩,৫০০ টা স্থানত আজি একতাৰ দৌৰ অনুষ্ঠিত কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাষ্ট্ৰৰ একতা, সমন্বয় আৰু দেশৰ নিৰাপত্তাৰ হকে চৰ্দাৰ বল্লভভাই পেটেলে যোগাই যোৱা বৰঙণিৰ দ্বাৰা নতুন প্ৰজন্মই যাতে দেশমাতৃক সেৱাৰ মানসিকতাৰে আগুৱাই লৈ যাব পাৰে সেই উদ্দেশ্যৰে ৰাষ্ট্ৰীয় একতা দিৱস সমগ্ৰ দেশতে উদ্‌যাপন কৰি অহা হৈছে। মুখ্যমন্ত্ৰীয়ে এই উপলক্ষে চৰ্দাৰ পেটেলৰ আদৰ্শৰে উদ্বুদ্ধ হৈ অখণ্ড ভাৰতৰ ধাৰণাটোক সবল কৰাৰ দিশত অৱিহণা আগবঢ়াবলৈ ৰাজ্যৰ যুৱ সমাজক আহ্বান জনায়।

চৰ্দাৰ বল্লভভাই পেটেলৰ বৰ্ণাঢ্য জীৱন পৰিক্ৰমা আলোকপাত কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে লৌহমানৱগৰাকীয়ে ১৯৪২ চনত ব্ৰিটিছ চৰকাৰৰ বিৰুদ্ধে সত্যাগ্ৰহত সবল নেতৃত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ বাবে মহামানৱ মহাত্মা গান্ধীয়ে তেওঁক চৰ্দাৰ উপাধিৰে বিভূষিত কৰিছিল। তেওঁ মন্তব্য কৰে যে জটিল পৰিস্থিতিত উপযুক্ত সিদ্ধান্ত গ্ৰহণেৰে সবল নেতৃত্ব প্ৰদান কৰিব পৰাটো আছিল চৰ্দাৰ পেটেলৰ ব্যক্তিত্বৰ অন্যতম বৈশিষ্ট্য। ড° শৰ্মাই লগতে কয় যে ভাৰতবৰ্ষৰ সকলো ৰাজ্যক এক শাসনৰ

অধীনলৈ অনাৰ বাবে চৰ্দাৰ পেটেলে লোৱা ভূমিকাৰ বাবে লৰ্ড মাউণ্টবেটেনেও আনকি তেওঁক ভূয়সী প্ৰশংসা কৰিছিল।

অনুষ্ঠানত উপস্থিত থকা কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপৰিবহণ দপ্তৰৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও ভাষণ প্ৰদান কৰি এখন শক্তিশালী ভাৰত নিৰ্মাণৰ দিশত চৰ্দাৰ পেটেলে লোৱা ভূমিকা স্মৰণ কৰি লৌহপুৰুষগৰাকীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ ‘এক ভাৰত শ্ৰেষ্ঠ ভাৰত’ নিৰ্মাণত অৰিহণা যোগাবলৈ সকলোকে আহ্বান জনায়।

অনুষ্ঠানত হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, ৰাজ্য সভাৰ সাংসদ ভূবনেশ্বৰ কলিতা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ**
**৩১/১০/২০২২**